Total No. of Printed Pages—7

**17 E—MASS**

# 2 0 1 7

## ASSAMESE
## ( Modern Indian Language )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ কৰাঁ : ১×৪=৪

(ক) সত্যনাথ বৰাৰ 'আকাশ ৰহস্য' কি বিষয়ক গ্ৰন্থ ?

(খ) কালিৰাম মেধিৰ সাহিত্যিক জীৱনৰ ডাঙৰ কীৰ্তি কি ?

(গ) সংস্কৃতৰ কি শব্দৰ পৰা 'বিহু' শব্দৰ উৎপত্তি হোৱা বুলি ঠাৱৰ কৰা হৈছে ?

(ঘ) আহোম যুগত কোন ৰজাৰ দিনত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল ?

২। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৪=৮

(ক) বিশ্বপুথিৰ ৰচক কোন ? বিশ্বপুথিত কেইবিধ পাঠ থাকে ?

(খ) অংকীয়া নাটত কেইটা অংক থাকে ? এইবিধ নাটৰ মধ্যস্থ পুৰুষ চৰিত্ৰ কি ?

(গ) হোমাৰ কোন দেশৰ কবি? তেওঁ ৰচনা কৰা এখন মহাকাব্যৰ নাম লিখাঁ।

(ঘ) বধকাব্যসমূহ কোনজন বৈষ্ণৱ কবিৰ দ্বাৰা ৰচিত? কোনখন মহাকাব্যৰ চৰিত্ৰক কেন্দ্ৰ কৰি তেওঁ এই শ্ৰেণীৰ কাব্য ৰচনা কৰিছিল?

(ঙ) ভাৰতৰ আন আন ঠাইত প্ৰচলিত বিহুৰ সমধৰ্মী যি কোনো দুটা উৎসৱৰ নাম লিখাঁ।

(চ) বৰপেটা অঞ্চলৰ কি কি দুবিধ থলুৱা খেলৰ লগত ক্ৰিকেট খেলৰ সাদৃশ্য আছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪×৩=১২

(ক) অংকীয়া ভাওনাৰ প্ৰধান উপাদান সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) ৰূপ আৰু স্বাস্থ্য গৌৰৱৰ কাৰণ হয়নে? বুজাই লিখাঁ।

(গ) বিহু সম্বন্ধে লক্ষ্মীনাথ বেজবৰুৱাই কেনে ধাৰণা পোষণ কৰিছিল?

(ঘ) সাহিত্যত প্ৰকাশভংগী বা ষ্টাইলৰ গুৰুত্ব কিমান? বুজাই লিখাঁ।

(ঙ) পৰ্বতাৰোহণ অভিযানক 'টিম গেম' বোলাৰ কাৰণ কি? এনে অভিযানত মানসিক দৃঢ়তাৰ প্ৰয়োজন কিমান?

৪। যি কোনো এটাৰ চমু টোকা লিখাঁ : ৬

বধকাব্য, আহোম যুগৰ খেল-ধেমালি।





৫। উত্তৰ লিখাঁ : ১×৩=৩

(ক) মাধৱ কন্দলিয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতাত সংস্কৃত ৰামায়ণৰ পদ ভাঙনি কৰিছিল?

(খ) 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন আছিল?

(গ) দেৱকান্ত বৰুৱা অসমীয়া কাব্য-জগতত কি কবি হিচাপে জনাজাত?

৬। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৪=৮

(ক) ভটিমা কেইবিধ? ভটিমাৰ ভাষা কি?

(খ) মালিতাক কেইটা ভাগত ভগোৱা হয়? 'ধনবৰ ৰতনী' কোন শ্ৰেণীৰ মালিতা?

(গ) ৰোমাণ্টিক কবিতাৰ যি কোনো দুটা ঘাই লক্ষণ উল্লেখ কৰাঁ।

(ঘ) বশিষ্ঠ মুনি কোন? বশিষ্ঠাশ্ৰম ক'ত অৱস্থিত?

(ঙ) 'ৰাজপথ' কবিতাটো কোনে, কি ছদ্মনামত প্ৰকাশ কৰিছিল?

(চ) 'এখন চিঠি' কবিতাত কোনে, কালৈ চিঠি লিখাৰ বৰ্ণনা আছে?

৭। যি কোনো দুছোৱা ব্যাখ্যা কৰাঁ : ৪×২=৮

(ক) শুনি পাত্ৰ মেলে উঠি বোলে ৰাৱণত।
দুঃস্বপ্নৰ কথা প্ৰভু গুচায়ো মনত॥

(খ) ত্ৰিভুবন বন্দন দৈবকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ॥

(গ) অথিৰ বায়ুৰ শিয়ঁৰিল নোম
উছলাইছে গৈ জান
কাৰণ নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।

(ঘ) সেইবোৰ অনাখৰী কথা আজিও অন্তৰত
পৰ্বতীয়া বনপোৰা জুই হৈ আছে।

৮। মূলভাৱ লিখাঁ (যি কোনো এটা) : ৬

বনকুঁৱৰী ; বশিষ্ঠাশ্ৰম ; ৰাজপথ।

৯। দুৰ্যোগ ব্যৱস্থাপনাৰ নিমিত্তে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিধিখনৰ নাম কি? ১

১০। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×২=৪

(ক) পৰিৱেশ কেইবিধ আৰু কি কি?

(খ) পৰিৱেশৰ চাৰিটা উপাদানৰ নাম উল্লেখ কৰাঁ।

(গ) দুৰ্যোগ কেইঃ প্ৰকাৰৰ আৰু কি কি?

(ঘ) দুৰ্যোগৰ যি কোনো দুটা বিশেষত্ব লিখাঁ।





১১। বায়ুমণ্ডল সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ৪

*অথবা*

ভূমিকম্প হৈ থকা সময়ত কি কৰা উচিত?

১২। যি কোনো এটাৰ বিষয়ে বুজাই লিখাঁ : ৬

ভূমিৰ অৱনতি ; পৰিৱেশ প্ৰদূষণ ; দুৰ্যোগ ব্যৱস্থাপনাৰ বুনিয়াদ।

১৩। উত্তৰ লিখাঁ : ১×৪=৪

(ক) কুশল কোঁৱৰ কোন স্কুলৰ ছাত্ৰ আছিল?

(খ) 'কুশল কোঁৱৰ' নাটকৰ দাৰোগাজনৰ নাম কি?

(গ) কিমান চনত জালিয়ানৱালাবাগৰ হত্যাকাণ্ড সংঘটিত হৈছিল?

(ঘ) কুশল কোঁৱৰৰ পিতৃৰ নাম কি?

১৪। যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২

(ক) "বন্দিনী ভাৰতৰ শিকলি খুলি আমি দেশমাতৃৰ অশ্ৰু মচিব লাগিব।" কথাষাৰ কোনে, কাৰ আগত কৈছিল?

(খ) 'কুশল কোঁৱৰ' কোন শ্ৰেণীৰ নাটক? নাট্যকাৰ উত্তম বৰুৱাৰ এই শ্ৰেণীৰ আন এখন নাটকৰ নাম উল্লেখ কৰাঁ।

১৫। যি কোনো দুটাৰ উত্তৰ লিখাঁ : ৪×২=৮

(ক) গাঁওবুঢ়াই দাৰোগাৰ আগত কুশল কোঁৱৰৰ পৰিচয় কেনেকৈ দিছিল?

(খ) কুশল কোঁৱৰে স্কুল এৰাৰ কাৰণ কি আছিল, লিখাঁ।

(গ) কুশল কোঁৱৰৰ অন্তিম বাণী কি আছিল?

১৬। যি কোনো এটাৰ উত্তৰ লিখাঁ : ৬

(ক) 'কুশল কোঁৱৰ' নাটকৰ নাৰী চৰিত্ৰ এটা বিশ্লেষণ কৰাঁ।

(খ) কুশল কোঁৱৰক ফাঁচী দিয়াৰ কাৰণ কি আছিল, চমুকৈ লিখাঁ।

১৭। 'ৰ' আৰু 'য়'ক অসমীয়াত কি বৰ্ণ বোলা হয়? ২

*অথবা*

'অ'ৰ ব্যৱহাৰে শব্দৰ অৰ্থভেদ আনেনে? এটা উদাহৰণ দিয়াঁ।

১৮। তলত দিয়া যি কোনো চাৰিযোৰ সমোচ্চাৰণ শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুওৱাঁ : ৪

আঁচল—আচল

কাঁচ—কাছ

চুটি—ছুটী

পাণ—পান

শৰ—সৰ

সূচি—শুচি





*অথবা*

তলৰ যি কোনো চাৰিযোৰ শব্দৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ :

সিহত—সিহঁত

কাহী—কাঁহী

ভূএঁা—ভূঞা

সেওতা—সেওঁতা

কাইট—কাঁইট

ঘোঁৰা—ঘোৰা

১৯। ভাৱ সম্প্ৰসাৰণ কৰাঁ : ৪

এশ গৰু মাৰিলে বাঘৰো মৰণ।

*অথবা*

গোৰ মাৰি গংগাত পেলোৱা।

***